**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-06-2025 **Time :** 1205Hrs.

## <u>Assamese Midday Bulletin</u>

ৰাজ্যত জাপানীজ এনচেফেলাইচিছ্ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। ইতিমধ্যে এই ৰোগত পাঁচজন লোকৰ মৃত্যু হৈছে। কামৰূপ জিলাত এতিয়ালৈকে ১৩ গৰাকী লোক এই ৰোগত আক্ৰান্ত হৈছে। জিলাখনত জাপানীজ এনচেফেলাইটিছত আক্ৰান্ত হৈ তিনিগৰাকী লোকৰ মৃত্যু হৈছে। কালি নিশা হাজো অঞ্চলত এগৰাকী ৫০ বছৰীয়া মহিলাৰ এই ৰোগত মৃত্যু হয়। জিলাখনৰ বাইহাটা, ৰঙিয়া, হাজো অঞ্চলত এই ৰোগ প্ৰতিৰোধৰ বাবে কামৰূপ জিলা মেলেৰিয়া বিভাগৰ তৰফৰ পৰা তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰ্তমান জিলাখনৰ একাধিক স্থানত মেলেৰিয়া ৰোগ প্ৰতিৰোধৰ বাবে সজাগতা শিবিৰৰ আয়োজন কৰাৰ লগতে প্ৰায় ২০ হাজাৰ ঔষধযুক্ত আঁঠুৰা বিতৰণ কৰা হৈছে। বকো, ছয়গাঁও, গৰৈমাৰী, ৰঙিয়া আৰু বাইহাটা চাৰিআলি অঞ্চলত ধোঁৱা দিয়া হৈছে।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত বৰ্তমান ৩২ গৰাকী এই ৰোগত আক্ৰান্ত ব্যক্তি চিকিৎসাধীন হৈ আছে বুলি চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্যই জানিবলৈ দিছে।

oooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া সংমণ্ডলৰ অধীনস্থ দুলীয়াজান-ডিব্ৰুগড় খণ্ডৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ পাছত বৈদ্যুতিক ইঞ্জিনেৰে ৰে'ল যাত্ৰা আৰম্ভ হৈছে। কালি নিশা ১২৪২৩ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ ৰে'লখনে ডিব্ৰুগড়ৰ বাণীপুৰ ষ্টেচনৰ পৰা নতুন দিল্লী অভিমুখে যাত্ৰা আৰম্ভ কৰে। ইয়াৰ জৰিয়তে ডিব্ৰুগড়ৰ পৰা বৈদ্যুতিক ইঞ্জিনেৰে ৰে'ল চলাচলৰ নতুন অধ্যায় আৰম্ভ হ'ল। যোৱা বুধবাৰে ১২৪২৪ নম্বৰৰ ৰাজধানী এক্সপ্ৰেছ ৰে'লখনে নতুন দিল্লীৰ পৰা তিনিচুকীয়া হৈ ডিব্ৰুগড়লৈ বৈদ্যুতিক ইঞ্জিনেৰে সফলভাৱে যাত্ৰা কৰে। আনহাতে, ৰে'ল বিভাগে অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰিব। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লে এয়ে প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰ তলৰ দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

oooooo

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ সোঁৱৰণত আজি আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত আৰু ইনলি ফাউণ্ডেচনৰ সহযোগত **সুৰৰে দেউলৰে** শীৰ্ষক এটি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি পুৱা ১০ বজাৰ পৰা চানমাৰিৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত থকা ৰিক্ৰিয়েচন ক্লাবত অমৰেন্দ্ৰ শৰ্মা, দিপক কুমাৰ দাস আৰু ছাদিক আনাম ৰহমানৰ তত্বাৱধানত প্ৰথমৰ পৰা পঞ্চম আৰু ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত দুটি শাখাত বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ সৈতে সংগতি থকা ছবি অংকনৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাত চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ

প্ৰেক্ষাগৃহত হ'বলগীয়া সুৰৰে দেউলৰে শীৰ্ষক অনুষ্ঠানটিত বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন আৰু সৃষ্টিৰাজি সন্দৰ্ভত আলোকপাত কৰিব। চাৰে ছয় বজাত সৃষ্টিৰ ৰণুৱা ঘোঁৰা ঃ বিষ্ণু প্ৰসাদ ৰাভা শীৰ্ষক এখনি আলেখ্য পৰিৱেশন কৰা হ'ব। ৰবিন চন্দ্ৰ বড়োৰ সামগ্ৰিক পৰিকল্পনা, নয়ন প্ৰসাদৰ ব্যৱস্থাপনাত হ'বলগীয়া গীত, নৃত্য, কবিতাৰ এই অন্তৰংগ সাংস্কৃতিক অনুষ্ঠানলৈ ইনলি ফাউণ্ডেচনৰ সাধাৰণ সম্পাদক ইন্দ্ৰজিত দাসে সকলোকে আমন্ত্ৰণ জনাইছে।

০০০০০০০

উত্তৰ-পূব ভাৰতৰ পৰিবেশ সংৰক্ষণৰ সৈতে জড়িত গোষ্ঠী নেছাৰ্ছ বেকনৰ উদ্যোগত কালি ধেমাজি টেকজুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত বনৰীয়া চৰাইৰ বাহ, কণী আৰু বাসস্থান সংৰক্ষণ শীৰ্ষক সজাগতামূল কাৰ্যসূচী অনুষ্ঠিত হয়। সংস্থাটোৱে বনৰীয়া চৰাইৰ সংৰক্ষণৰ উদ্দেশ্যে ১৯৯০ চনৰে পৰা সমগ্ৰ অসমত বনৰীয়া চৰাইৰ পৰীক্ষণ শিবিৰ আয়োজন কৰি আহিছে। কালিৰ অনুষ্ঠানত নেছাৰ্ছ বেকনৰ কেইবাগৰাকীও সদস্যৰ লগতে ছাত্ৰ-ছাত্ৰী তথা আগ্ৰহী ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণৰ আৱৰ্ত ভৱনত আজি এখন ভোটদাতা পৰ্যবেক্ষণ বৈঠকত অনুষ্ঠিত হয়। বৈঠকত কাৰ্বি আংলঙৰ অতিৰিক্ত জিলা আয়ুক্ত হিমাদ্ৰী শেখৰ বৰদলৈয়ে অধ্যক্ষ কৰে। বৈঠকত জিলাখনৰ নতুন ভোটদাতাৰ নাম অন্তৰ্ভুক্তি তথা মৃত বা অনুপস্থিত ভোটদাতাৰ নাম কৰ্তন সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

কাছাৰ আৰক্ষীয়ে শিলচৰ-আইজল বাইপাছৰ ৰামনগৰ অঞ্চলত কালি অভিযান চলাই ১ কেজিৰো অধিক হেৰ'ইন জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। জব্দ কৰা হেৰ'ইনখিনিৰ বজাৰ মূল্য ৫ কোটিৰো অধিক বুলি অনুমান কৰা হৈছে। আৰক্ষীয়ে প্ৰাথমিক তদন্তত মণিপুৰৰ চূড়াচান্দপুৰৰ পৰা এই মাদকদ্ৰব্যখিনি অনা হৈছিল বুলি প্ৰকাশ কৰিছে।

০০০০০০

দেশৰ ৫০০ টা অভিলাসী উন্নয়ন খণ্ডৰ ভিতৰত তামুলপুৰ উন্নয়ন খণ্ডই প্ৰথম স্থান লাভ কৰিছে। নীতি আয়োগে চলোৱা এই সমীক্ষাত চলিত বৰ্ষৰ জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চৰ মূল্যায়নৰ ভিত্তিত তামুলপুৰ উন্নয়ন খণ্ডই এই সফলতা লাভ কৰিছে। এই সফলতাৰ স্বীকৃতিস্বৰূপে তামুলপুৰে উন্নয়নমূলক প্ৰচেষ্টা অধিক ত্বৰান্বিত কৰাৰ বাবে ৩ কোটি টকা লাভ কৰিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যৰ বাবে তামুলপুৰ উন্নয়ন খণ্ডক অভিনন্দন জনাইছে। তেওঁ কয় যে এই স্বীকৃতিয়ে স্বাস্থ্য, শিক্ষা, কৃষি আন্তঃগাঁথনি, পৰিপুষ্টি আদি সকলো দিশৰ বিকাশৰ ক্ষেত্ৰত উন্নয়ন খণ্ডটোৰ প্ৰচেষ্টা পুনৰ সুদৃঢ় কৰিলে।

০০০০০০০

**সমাপ্ত**